# ৰংমনৰ চিঠি

**প্ৰশ্ন ১। তলত দিয়া প্ৰশ্নবােৰৰ চমু উত্তৰ দিয়া ।**

**( ক ) ৰংমনে কোন বিদ্যালয়ত পঢ়ে ?**

**উত্তৰঃ** হােজাইৰ শংকৰদেৱ শিশু নিকেতনত ।

**( খ ) ৰংমনৰ মাক – দেউতাক ক'ত থাকে ? তেওঁলােকে কি কৰে ?**

**উত্তৰঃ** দেউতাকে প্ৰায়েই ঘৰৰ পৰা দূৰত থাকে । মাকে জালুকবাৰীত থাকে । দেউতাকে কোম্পানীত আৰু মাকে এটা বেংকত চাকৰি কৰে।

**( গ ) ৰংমনৰ ছাত্ৰাৱাসত থাকি কিয় ভাল লাগিছে বুজিব পাৰিছানে ?**

**উত্তৰঃ** ছাত্ৰাৰাসত পঢ়া – শুনা কৰাৰ বাবে ভাল সুবিধা আছে । তাত সকলাে আবাসী ছাত্ৰই শুই উঠিয়েই প্ৰাতঃস্মৰণ আৰু সৰস্বতী বন্দনা কৰিব লাগে । ৰাতিপুৱাই এইবােৰ কৰিলে মনটো ভাল লাগে । আবেলি ছাত্ৰাৰাসৰ খেলপথাৰত খেলিবও পৰা যায় । ৰংমনৰ ছাত্ৰাৰাসত থাকি ভাল লগাৰ এইবাােৰেই কাৰণ ।

**( ঘ ) চিঠিখনত ৰংমনে কোনটো বিহু অহাৰ কথা কৈ ?**

**উত্তৰঃ** ব'হাগ বিহু অহাৰ কথা কৈছে ।

**( ঙ ) চিঠিখনত ৰংমনে ছাত্ৰাৱসৰ নিয়মবােৰ কিয় কঢ়া বুলি লিখিলে ?**

**উত্তৰঃ** ছাত্ৰাৰাসত ছাত্ৰসকলে নীতি – নিয়মৰ মাজেৰে চলিব লাগে । ৰাতিপুৱাই সূৰ্যোদয়ৰ আগতেই সকলােৰে শােৱাৰ পৰা উঠিব লাগে । ৰাতি ভােজন মন্ত্ৰ গাই ভােজন কৰাৰ পাছতেই লাইট নুমুৱাই শুই থাকিব লাগে । ৰংমনে ঘৰৰ দৰে ইয়াত ৰাতি আঁঠুৱাৰ তলত শুই সাধুকথাৰ কিতাপ পঢ়িব নােৱাৰে । ছাত্ৰাবাসত ম'বাইল ফোন ব্যৱহাৰ কৰিব নিদিয়ে। শনিবাৰে গধূলিহে অকল ছাত্ৰসকলে ছাত্ৰাৰাসৰ কোনেৰে ঘৰৰ মানুহৰ লগত কথা পাতিব পাৰে , অন্য বাৰে নােৱাৰে । এইবােৰ কাৰণতে ৰংমনে ছাত্ৰাৰাসৰ নিয়মবােৰ কঢ়া – বুলি লিখিছিল ।

**( চ ) দেউতাকে এতিয়াও ডুমডুমাৰ পৰা ঘূৰি অহা নাই বুলি ৰংমনে কিয় ভাবিলে ?**

**উত্তৰঃ** ৰংমনৰ দেউতাক ডুমডুমালৈ গৈছে । কোম্পানীৰ কামত বাহিৰলৈ গলে তেওঁৰ কেতিয়াবা ঘূৰি আহােতে পলম হয় । সেয়েহে ৰংমনে দেউতাক ডুমডুমাৰ পৰা ঘূৰি নহা বুলি ভাবিছে ।

**( ছ ) ছাত্ৰাবাসত থকা ছাত্ৰই কিহৰ বাবে টকা দিবলগীয়া হয় জানানে ?**

**উত্তৰঃ** ছাত্ৰাৱাসত থকা ছাত্ৰসকলক থকা – মেলা , খাোৱা – বাোৱা , পঢ়া – শুনা , খেলা ধূলাৰ বাবে যি সুবিধা দিয়া হয় তাৰ বিনিময়ত তেওঁলাোকে টকা দিবলগীয়া হয় । তদুপৰি ছাত্ৰাৱাসত সময়ে সময়ে বিভিন্ন দিৱস , উৎসৱ আদি পালন কৰা হয় । নৱাগত আদৰণী সভা , সম্বৰ্ধনা সভাকে আদি কৰি বিভিন্ন সভা – সমিতিও অনুষ্ঠিত হয় । এইবাোৰত হাোৱা খৰচৰ বাবেও ছাত্ৰাবাসত থকা ছাত্ৰসকলে টকা দিবলগীয়া হয় ।

**( জ ) ছাত্ৰাৱাসত থকা ছাত্ৰক এটা নিৰ্দিষ্ট বাৰতহে ফোন ধৰিবলৈ দিয়া হয় বুলি ৰংমনে লিখিছে । এই নিয়ম কাৰণ কি বুলি ভাবা ?**

**উত্তৰঃ** ছাত্ৰাৱাসত ছাত্ৰসকলে নীতি – নিয়মৰ মাজেৰে এক শৃংখলাবদ্ধ পৰিৱেশত থাকে । যিকোনাে বাৰতে যেতিয়াই তেতিয়াই ফোন ধৰিলে এই শৃংখলাবদ্ধ পৰিবেশ নষ্ট হ’ব পাৰে আৰু ইয়ে ছাত্ৰসকলৰ পঢ়া – শুনাত ব্যাঘাত জন্মাব পাৰে । আনহাতে ফোন ধৰিব লগাজনে সেই সময়ত ফোন ধৰিব পৰা অৱস্থাত নাথাকিবও পাৰে । কিন্তু এটা নিৰ্দিষ্ট বাৰত ফোন ধৰিবলৈ দিলে ফোন কৰোঁতা আৰু ফোন ধৰোতা উভয়ৰে সুবিধা।কাৰণ সেই নিৰ্দিষ্ট বাৰটোত উভয় পক্ষই সজাগ হৈ থাকে । সেইবাবেই এটা নিৰ্দিষ্ট বাৰত ছাত্ৰাবাসত ফোন ধৰিবলৈ দিয়া হয় ।

**( ঝ ) ছাত্ৰাবাসত ৰংমনে কেতিয়া কেতিয়া প্ৰাৰ্থনা কৰিবলগীয়া হৈছে ?**

**উত্তৰঃ** ছাত্ৰাৱাসত ৰংমনে ৰাতিপুৱা শুৱাৰ পৰা উঠে আৰু ৰাতি ভাোজন কৰাৰ আগতে প্ৰাৰ্থনা কৰিবলগীয়া হৈছে ।

**প্ৰশ্ন ২। ৰংমনৰ চিঠিখনৰ পৰা ছাত্ৰাৱাসৰ নিয়ম সম্পৰ্কে কি বুজিলা লিখা ।**

**উত্তৰঃ** ৰংমনৰ চিঠিখনৰ পৰা বুজা যায় যে ছাত্ৰাৱাসৰ নিয়মবাোৰ অকল পঢ়া শুনাৰ ক্ষেত্ৰখনতে সীমাবদ্ধ হৈ থকা নাই , এইবাোৰ ছাত্ৰসকলৰ মন , স্বাস্থ্য আৰু চৰিত্ৰ গঠনত প্ৰভাৱ পেলাব পৰাকৈয়াে প্ৰৱৰ্তন কৰা হৈছে । প্ৰতিজন ছাত্ৰকে একো একোজন সৎ , উদ্যমী , দক্ষ, দায়িত্বশীল , নীতি পৰায়ণ , কৰ্তব্য পৰায়ণ আৰু নিজ কৃষ্টি – সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল সুনাগৰিক হিচাপে গঢ়ি তাোলাটোৱে এই নিয়মবাোৰৰ মূল উদ্দেশ্য যেন লাগে ।

**প্ৰশ্ন ৩। বাক্য ৰচনা কৰা –**

উপলক্ষ , খৰচিমাৰি , নিয়ম-কানুন , মৰমিয়াল

**উত্তৰঃ উপলক্ষ :-** নতুন বছৰ উপলক্ষে আমি এইবাৰ চিৰিয়াখানা চাবলৈ যাম ।

**খৰচি মাৰি :-** আমি প্ৰত্যেকেই পাঠ্যপুথিবোৰ খৰচি মাৰি অধ্যয়ন কৰা উচিত ।

**নিয়ম-কানুন :-** ৰংমনৰ মতে ছাত্ৰাৱাসৰ নিয়ম – কানুনবোৰ বৰ কড়া ।

**মৰমিয়াল :-** আমাৰ প্ৰধান আচাৰ্যগৰাকী বৰ মৰমিয়াল ।

প্ৰশ্ন ৪। যুৰীয়া শব্দ কাক বোলে ? এটা উদাহৰণ দিয়া ।

**উত্তৰঃ** একেধৰণৰ অৰ্থ প্ৰকাশ কৰা দুটা শব্দ ব্যৱহাৰ কৰিলে তাক যুৰীয়া শব্দ বোলে । যেনে — মাছ – পুঠি ।

**প্ৰশ্ন ৫। তলৰ শব্দবোৰ ব্যৱহাৰ কৰি যুৰীয়া শব্দ উলিওৱা –**

নিয়ম , গছ , বিপদ , ধন , চিঠি , সোণ , পত্ৰ , আপদ , বিৰিখ , দায় , দোষ , কানুন , ভোক , পিয়াহ ।

**উত্তৰঃ** নিয়ম – কানুন

গছ – বিৰিখ

বিপদ – আপদ

ধন – সোণ

চিঠি – পত্ৰ

দায় – দোষ

ভোক – পিয়াহ

**প্ৰশ্ন ৬। ম’বাইল ফোন সম্পৰ্কত বিশ্ব স্বাস্থ্য সংস্থাই আমাক কি সকীয়াই দিছে ?**

**উত্তৰঃ** বিশ্ব স্বাস্থ্য সংস্থাই সকীয়াই দিছে যে ম’বাইল ফোন ব্যৱহাৰ কৰোঁতে নিৰ্গত হাোৱা তৰংগই স্বাস্থ্যৰ মাৰাত্মক ক্ষতি কৰাৰ সম্ভাৱনা থাকে । সেইবাবে ম’বাইলৰ অত্যধিক ব্যৱহাৰৰ পৰা বিৰত থকা উচিত।

**প্ৰশ্ন ৭। ব’হাগ বিহুটো তুমি কেনেকৈ পালন কৰিবা তাকে জনাই তাোমাৰ বন্ধুলৈ এখন চিঠি লিখা ।**

**উত্তৰঃ** শ্ৰীহৰি

তাৰিখঃ ০২-০১-২০১৬ ইং

প্ৰিয় বন্ধু ,

প্ৰথমে মাোৰ মৰম ল’বা । তাোমাৰ মা – দেউতাক মাোৰ সেৱা জনাবা । মাোৰ বৰ্তমান ভালেই । আশাকৰোঁ তুমিও ভালে আছা । ব’হাগ বিহু আহিলেই নহয় ; বিহুত তুমি কি কৰিবা বুলি ভাবিছা ? মই কি ভাবিছোঁ তাোমাক কওঁ ৰবা ।

গৰু বিহুৰ দিনাখন পুৱা শুই উঠিয়ে মই লাও – বেঙেনা কাটি মালা গাঠিম । তাৰ পাছত দীঘলতি পাতেৰে কোবাই উঠি আমাৰ তিনিওজনী গৰুকে চৰতে থকা কালদিয়া নদীত গা ধুৱাম । তাৰ পাছত সিহঁতৰ ডিঙিত লাও – বেঙেনাৰ মালা পিন্ধাই দিম । গধূলি সিহঁতক নতুন পঘা পিন্ধাম আৰু মহ – ডাহ খেদিবৰ বাবে গাোহালি ঘৰত যাগ দিম ।

মানুহ বিহুৰ দিনাখন আয়ে দিয়া নতুন বিহুৱান লৈ ডাঙৰসকলক সেৱা জনাই তেওঁলাোকৰ আশীৰ্বাদ ল’ম।

গোঁসাই বিহুৰ দিনাখন গাঁৱৰ সকলাোৱে বাসুদেৱ মন্দিৰলৈ আহি ধূপ ধূনা – চাকি জ্বলাই থাপনা পাতে , গাোসাঁইক নতুন বিহুৱান দিয়ে আৰু নাম – কীৰ্তন কৰে । মইও সেইবাোৰত ভাগ ল’ম । মাজতে মই নলবাৰীৰ বাইদেউহঁতৰ ঘৰলৈ যাম । কিন্তু ৫ ব’হাগত মই ঘূৰি আহিমেই। কাৰণ সেইদিনা আমাৰ ইয়াত মুকলি বিহু ৬ ব’হাগৰ আবেলি আমাৰ বিহুতলীত পাৰগছ খেলা প্ৰতিযাোগিতা হয় । চাই বৰ ভাল লাগে । তাোমালাোকৰ তাত পিৰগছ তাোলেনে ? জনাবাচোন । ৬ ব’হাগৰ সাংস্কৃতিক সন্ধিয়াও হয় । গতিকে তুমি ৫ আৰু ৬ ব’হাগত আমাৰ ঘৰত থকাকৈ আহিবা । বৰ ভাল লাগিব ।

বিশেষ নাই । চিঠিৰ উত্তৰ দিবা । পুনৰ মৰম যাচিলোঁ ।

ইতি

তা ােমাৰ বন্ধু শুভংকৰ

পাটাছাৰকুছি ( ওৱাৰ্ডনং ৬ )

ডাকঃ পাটাছাৰকুছি

জিলাঃ বৰপেটা ( অসম )

ডাক সূচাংকঃ ৭৮১ ৩২৬

প্ৰতি,

শ্ৰীনীতিশ কলিতা

পশ্চিম নানাট্টাৰী

ডাকঃ টিহু

জিলাঃ নলবাৰী ( অসম )